**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 08**-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

:::::::::::::::::::::::::::::::::::::::::::::::

১।	ভাৰত আৰু ভিয়েটনামৰ বাবে পৰিৱৰ্তিত বিশ্বশৃংখলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা যথেষ্ট থল আছে বুলি ভিয়েটনামৰ ৰাষ্ট্ৰপতি টো লামে প্ৰকাশ কৰিছে।

২।	কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আজি পশ্চিমবংগৰ বিজেপিৰ নৱ নিৰ্বাচিত বিধায়কসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত বিধায়িনি গোটৰ নেতা বাচনি কৰা হ'ব।

৩।	কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে দেশৰ চৰকাৰী শস্য ভাণ্ডাৰত ৬০৪ লাখ টনৰো অধিক শস্য মজুত আছে বুলি প্ৰকাশ কৰিছে।

৪।	ভাৰত আৰু ফ্ৰান্সে কালি বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ খণ্ডত সহযোগিতা সম্প্ৰসাৰণৰ সম্ভাৱনাৰ পৰ্যালোচনা কৰে।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এখন বৰ্ষাবিঘ্নিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৯ ৰানত পৰাস্ত কৰে।

০০০০

ভাৰত আৰু ভিয়েটনামৰ বাবে পৰিৱৰ্তিত বিশ্বশৃংখলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা যথেষ্ট থল আছে বুলি ভিয়েটনামৰ ৰাষ্ট্ৰপতি টো লামে প্ৰকাশ কৰিছে। মুম্বাইত কালি ভাৰত-ভিয়েটনাম ব্যৱসায় মঞ্চৰ বৈঠকত ভাষণ দি শ্ৰী লামে কয়, যে দুয়োখন দেশ পূৰ্বতেও পাৰস্পৰিক সহযোগিতাৰে ভালেমান প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তেওঁ লগতে ভাৰতীয় কোম্পানীসমূহক বিশেষকৈ অত্যাধুনিক প্ৰযুক্তিখণ্ডৰ কোম্পানীসমূহক ভিয়েটনামত বিনিয়োগ কৰিবলৈ আমন্ত্ৰণ জনায়। ভিয়েটনামৰ প্ৰাক্তন ৰাষ্ট্ৰপতি হো চি মিন্‌হ আৰু ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ দৰে নেতাসকলৰ দূৰদৃষ্টিৰ বাবে উভয় দেশৰ মাজত গঢ়ি উঠা গভীৰ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰি শ্ৰী লামে ৰাজনৈতিক আস্থাৰ বাবে ২০১৬ চনৰ পৰা দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য নতুন শিখৰত উপনীত হোৱা বুলি উল্লেখ কৰে। তেওঁ কয়, যে বৰ্তমানৰ গোলকীয় প্ৰেক্ষাপট প্ৰত্যাহ্বানপূৰ্ণ যদিও এনে পৰিস্থিতিয়ে ভাৰত আৰু ভিয়েটনামৰ মাজৰ সহযোগিতাক নতুন পৰ্যায়লৈ লৈ যোৱাৰ সুযোগো কঢ়িয়াই আনিছে। এই উপলক্ষে মাহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে কয়, যে ভাৰত আৰু ভিয়েটনামৰ দৰে দেশৰ প্ৰযুক্তি আৰু উৎপাদন খণ্ডৰ উদ্যমি, বিনিয়োগকাৰী আৰু বৃত্তিধাৰীসকলে এছিয়াৰ ভৱিষ্যৎ নিৰ্মাণ কৰিব।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আজি কলকাতালৈ আহিব। তেওঁ এই ভ্ৰমণকালত বিজেপিৰ নৱ নিৰ্বাচিত বিধায়কসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকতে বিজেপি বিধায়িনী গোটৰ নেতা বাচনি কৰা হ'ব।

ইপিনে, পশ্চিমবংগৰ ৰাজ্যপাল আন এন ৰবিয়ে কালি বিধানসভা ভংগ কৰে। ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভাৰ সদস্যসকলে কাইলৈ কবিগুৰু ৰবিন্দ্ৰ নাথ ঠাকুৰৰ জন্ম বাৰ্ষিকীৰ দিনা শপতগ্ৰহণ কৰিব।

কলকাতাপ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডৰ নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। শপত গ্ৰহণৰ বাবে কটকটীয়া সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ জ্যেষ্ঠ নেতাসকলৰ আৰু অন্য ৰাজ্যৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীয়ে শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা।

০০০০

গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে দেশৰ চৰকাৰী শস্য ভাণ্ডাৰত ৬০৪ লাখ টনৰো অধিক শস্য মজুত আছে বুলি প্ৰকাশ কৰিছে। এই পৰিমাণ ভৱিষ্যতৰ অনিশ্চয়তা, বিপদাশংকা আৰু অভাৱ পূৰণৰ বাবে বাধ্যতামূলকভাৱে মজুত ৰাখিবলগীয়া শস্যৰ পৰিমাণতকৈ প্ৰায় তিনিগুণ অধিক। মন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে ঘেহু আৰু চাউল ব্যাপক মাত্ৰাত মজুট আছে আৰু ইয়াৰ ফলত কল্যাণমূলক আঁচনি তথা সমগ্ৰ দেশৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে নিৰন্তৰ যোগান সুনিশ্চিত হৈছে। ব্যাপক ক্ৰয়, ভাল উৎপাদন আৰু কৃষকসকলৰ পৰ্যাপ্ত সুবিধা প্ৰদান কৰাৰ ফলত খাদ্য সুৰক্ষা, কৃষকৰ কল্যাণ আৰু নিৰাপদ ভৱিষ্যতৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা দৃঢ় হৈ উঠিছে বুলি শ্ৰী যোশীয়ে মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ খাদ্য সুৰক্ষা নিৰন্তৰ শক্তিশালী হৈ উঠিছে।

০০০০

ভাৰত আৰু ভিয়েটনামে নিত্য নতুন প্ৰযুক্তি, উদ্ভাৱন, গৱেষণা আৰু ষ্টাৰ্টআপ খণ্ডত সহযোগিতা সুদৃঢ় কৰাৰ বিষয়লৈ কালি আলোচনাত মিলিত হয়। বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং আৰু ভিয়েটনামৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ ভু হাই কোৱানৰ মাজত নতুন দিল্লীত হোৱা এই আলোচনাত দুয়ো পক্ষই কৃত্ৰিম বুদ্ধিমত্তা অভিযান, চাইবাৰ সুৰক্ষা পৰিকাঠামো, উদ্ভাৱন অনুকূল ব্যৱস্থা আৰু প্ৰযুক্তি হস্তান্তৰ উদ্যমৰ বিষয়ে মত বিনিময় কৰে। বৈঠকত গৱেষণা প্ৰতিষ্ঠান, উদ্ভাৱন কেন্দ্ৰ আৰু প্ৰযুক্তি বিকাশ মঞ্চসহ দুয়ো দেশৰ মাজৰ শৈক্ষিক আৰু প্ৰতিষ্ঠানগত সম্পৰ্কৰ পৰ্যালোচনা কৰা হয়। বৈঠকত ড০ সিঙে কয়, যে যোৱা দশকত দুয়ো দেশৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতাই নতুন গতি লাভ কৰিছে। তেওঁ কয়, যে ভাৰত-আছিয়ান গৱেষণা আৰু প্ৰশিক্ষণ জলপানি কাৰ্যসূচীৰ অধীনত ভিয়েটনামৰ প্ৰায় ১০ গৰাকী গৱেষকে জলপানী লাভ কৰিছে।

ড০ ভু হাই কোৱানে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত  দুয়ো দেশৰ মাজৰ বৰ্ধিত সহযোগিতাৰ প্ৰতি আদৰণি জনায় আৰু সামাজিক ক্ষেত্ৰক উপকৃত কৰিব পৰা প্ৰযুক্তি সন্দৰ্ভত পৰিকল্পিত সমন্বয় গঢ়ি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু ফ্ৰান্সে বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ খণ্ডত দ্বিপাক্ষিক সহযোগিতাৰ কাৰ্যক্ষেত্ৰ সম্প্ৰসাৰিত কৰিবলৈ পৰ্যালোচনা বৈঠকত মিলিত হয়। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ফ্ৰান্সৰ উচ্চ শিক্ষা, গৱেষণা আৰু মহাকাশ মন্ত্ৰী ফিলিপ বাপ্তিষ্টৰ সৈতে ভাৰ্চুৱেল মাধ্যেমেৰে এখন দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে । কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে যে বিজ্ঞান আৰু মহাকাশৰ ক্ষেত্ৰত ভাৰত-ফ্ৰান্সৰ দ্বিপাক্ষিক সম্পৰ্ক এটা শক্তিশালী স্তম্ভলৈ বিকশিত হৈছে আৰু এই পদক্ষেপে প্ৰযুক্তিগত উন্নতি আৰু মানুহৰ মাজত ঘনিষ্ঠ সংযোগ স্থাপন কৰাত অৰিহণা যোগাইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ২০২৬ চনটোক ভাৰত-ফ্ৰান্সৰ উদ্ভাৱন বৰ্ষ হিচাপে ঘোষণা কৰাটোৱে উদীয়মান ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ এক উল্লেখনীয় সুযোগ প্ৰদান কৰিছে। মহাকাশ সহযোগিতাৰ বিষয়ে আলোচনা কৰি ড০ সিঙে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু ৰাষ্ট্ৰীয় মহাকাশ অধ্যয়ন কেন্দ্ৰৰ মাজত যৌথ উপগ্ৰহ অভিযানকে ধৰি

সহযোগিতাৰ দীৰ্ঘ ইতিহাসৰ ওপৰত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে ভাৰতৰ গগণযান অভিযানত ফ্ৰান্সে কৰা সহায়ৰ শলাগ লয়। ড০ সিঙে মহাসাগৰীয় অভিযান খণ্ডটো দেশদুখনৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। ফ্ৰান্সৰ মন্ত্ৰীগৰাকীয়ে মহাকাশ আৰু গৱেষণা সহযোগিতাৰ ক্ষেত্ৰত ভাৰতক এক গুৰুত্বপূৰ্ণ আৰু বিশ্বাসযোগ্য অংশীদাৰ বুলি অভিহিত কৰে। মন্ত্ৰীগৰাকীয়ে সহযোগিতাৰ শক্তিশালী উত্তৰাধিকাৰৰ ওপৰত আলোকপাত কৰাৰ লগতে সমগ্ৰ পৃথিৱী পৰ্যবেক্ষণ, উৎক্ষেপণ ব্যৱস্থা আৰু মহাকাশ অন্বেষণৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে। ফ্ৰান্সৰ মন্ত্ৰীগৰাকীয়ে মহাকাশ খণ্ডত সহযোগিতা সম্প্ৰসাৰণৰ বাবে দেশখনৰ প্ৰস্তুতিৰ কথা প্ৰকাশ কৰে। তেওঁ চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত পেৰিছত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মহাকাশ সন্মিলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ ভাৰতক আমন্ত্ৰণ জনাইছে।

০০০০

আমেৰিকাৰ এখন যুক্তৰাষ্ট্ৰীয় আদালতে এটা খণ্ডিত ৰায় যোগে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ১০ শতাংশ গোলকীয় শুল্ক আৰোপৰ বাবে লোৱা সিদ্ধান্ত অবৈধ বুলি ঘোষণা কৰিছে। নিউয়ৰ্কৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য এখন তিনিজনীয়া বিচাৰপীঠৰ দুগৰাকী ন্যায়ধীশে শুল্ক আৰোপৰ বিৰোধিতা কৰে আৰু এগৰাকীয়ে সপক্ষে মত পোষণ কৰে। আদালতখনে কালি এই বুলি ৰায় দিয়ে যে, শ্ৰী ট্ৰাম্পে বাণিজ্য আইনৰ অধীনত সংসদে প্ৰদান কৰা ক্ষমতাৰ আওতাৰ বাহিৰলৈ গৈ শুল্ক আৰোপৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০

কৃত্ৰিম বুদ্ধিমত্তা আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে স্বাস্থ্যসেৱা খণ্ডত দায়িত্বশীল কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি প্ৰয়োগৰ লক্ষ্যৰে নতুন দিল্লীত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে কয় যে এই অংশীদাৰিত্ব কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ জৰিয়তে স্বাস্থ্যসেৱাৰ ফলাফলক উন্নত কৰাৰ দিশত এটা উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হৈছে ।

০০০০

ভাৰতৰ খনিজ সম্পদ খণ্ডই ২০১৫ চনত নিলাম ব্যৱস্থা প্ৰৱৰ্তনৰ পিছত ১০১টা খনিজ ভাণ্ডাৰৰ সফল কাৰ্যকৰীকৰণৰ জৰিয়তে মাইলৰ খুঁটি অৰ্জন কৰিছে। এই ভাণ্ডাৰসমূহৰ কাৰ্যকৰীকৰণে কেৱল খনিজ সম্পদসমূহ নিলাম কৰাই নহয়, খনিজ সম্পদৰ আবণ্টনৰ পৰা উৎপাদন প্ৰক্ৰিয়া যথেষ্ট ক্ষিপ্ৰ কৰি তুলিছে বুলি খনিজ মন্ত্ৰালয়ে বিবৃতিযোগে প্ৰকাশ কৰিছে । কাৰ্যকৰী হোৱা ভাণ্ডাৰসমূহে ঘৰুৱা খনিজ উৎপাদন বৃদ্ধি, মূল উদ্যোগসমূহৰ বাবে কেঁচামালৰ সুৰক্ষা শক্তিশালী কৰা, আমদানি নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু সামগ্ৰিক অৰ্থনৈতিক বিকাশত সহায় কৰাৰ দিশত উল্লেখনীয় অৰিহণা যোগাব বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে এই নিলাম কৰা খনিজ ভাণ্ডাৰসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সকলো ৰাজ্য চৰকাৰৰ সক্ৰিয় প্ৰচেষ্টা,

নীতিগত সমৰ্থন, আৰু প্ৰশাসনিক দক্ষতাৰ শলাগ লয়। নিলাম কৰা ১০১টা খনিজ ভাণ্ডাৰৰ সফল কাৰ্যকৰীকৰণে ভাৰতৰ খনিজ খণ্ডৰ কাঠামো শক্তিশালী কৰাটো প্ৰতিফলিত কৰাৰ লগতে স্বচ্ছ, দক্ষ, আৰু বহনক্ষম খনিজ খণ্ডৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক সুদৃঢ় কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন বৰ্ষাবিঘ্নিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৯ ৰানত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে ২১৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ১৯ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২০৩ ৰানহে কৰিবলৈ সমৰ্থ থয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰত তিনিটা উইকেট হেৰুৱাই ২০৯ ৰান সংগ্ৰহ কৰে। লক্ষ্ণৌৰ হৈ মিছেল মাৰ্চে ৫৬ টা বলত ১১১ ৰান কৰে। বৰষুণৰ বাবে খেলখন কেইবাবাৰো বিঘ্নিত হোৱাৰ ফলত দুয়োটা দলৰ বাবে খেল ১৯ অভাৰলৈ হ্ৰাস কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত বাংগালুৰুই ডি এল এছ নিয়ম অনুসৰি ২১৩ ৰানৰ লক্ষ্য লাভ কৰে। মিছেল মাৰ্চক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ